**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-03-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশে বৰ্তমান সামাজিক, বিত্তীয়, ৰাজনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰত এক নৱ জাগৰণৰ সৃষ্টি কৰিছে বুলি প্ৰকাশ কৰে।

২। চৰকাৰে পি এন জি তথা চি এন জিৰ ১০০ শতাংশ যোগান নিশ্চিত কৰাৰ লগতে সমগ্ৰ দেশতে ইয়াৰ পৰিবহন সুনিশ্চিত কৰিছে।

৩। অসমত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে কেইবছৰমানৰ ভিতৰত ভাৰতৰ স্থানীয় ড্ৰোণ নিৰ্মাণৰ গোলকীয় বজাৰ গঢ়ি তোলাৰ বাবে ক্ষিপ্ৰভাৱে কাম কৰি যাব লাগিব।

*আৰু*

৫। আৰ্জেণ্টিনাৰ তাৰকা ফুটবলাৰ লিঅ'নেল মেছিয়ে ৯০০টা গ'ল অতিক্ৰম কৰি খ্ৰীষ্টিয়ানো ৰোনাল্ডোৰ পূৰ্বৰ অভিলেখ ভংগ কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কয় যে দেশে বৰ্তমান সামাজিক, বিত্তীয়, ৰাজনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰত এক নৱ জাগৰণৰ সৃষ্টি কৰিছে আৰু অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি মন্দিৰ ইয়াৰ উৎকৃষ্ট নিদৰ্শন। উল্লেখযোগ্য যে তিনিদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ যোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে আজি পুৱা শ্ৰীৰাম জন্মভূমি মন্দিৰত উপস্থিত হৈ জনসাধাৰণক সম্বোধি এইদৰে কয়। ৰাষ্ট্ৰপতিগৰাকীয়ে মন্দিৰৰ ভিতৰৰ বিভিন্ন স্থানত হোৱা দৰ্শন আৰু আৰতিত ভাগ লোৱাৰ লগতে ৰামযন্ত্ৰ স্থাপনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। বৈদিক মন্ত্ৰৰ উচ্চাৰণেৰে এই ৰামযন্ত্ৰ আজি মন্দিৰৰ দ্বিতীয় মহলাত স্থাপন কৰা হয়। দেশৰ প্ৰতি সেৱা আগবঢ়োৱা আৰু ভগৱান ৰামৰ প্ৰতি কৰা পূজা-অৰ্চনাৰ মাজত ৰাষ্ট্ৰপতিগৰাকীয়ে কোনো প্ৰভেদ নাৰাখে বুলি উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কয় যে বৰ্তমানৰ ভাৰতবৰ্ষ কেৱল এখন নতুন দেশেই নহয়, এখন পৰিৱৰ্তিত দেশ হিচাপে উদ্ভাসিত হৈ উঠিছে। যোৱা বছৰত প্ৰায় ১৬৮ কোটি ভক্তই ৰাজ্যখনৰ বিভিন্ন মন্দিৰ দৰ্শন কৰাৰ কথাও তেওঁ উল্লেখ কৰে। বৰ্তমানৰ যুৱপ্ৰজন্মৰ ধৰ্মীয় স্থানসমূহ ভ্ৰমণৰ প্ৰতি উৎসাহ যথেষ্ট বাঢ়িছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মন্দিৰ নিৰ্মাণৰ সৈতে জড়িত কৰ্মীসকলক সন্মানিত কৰে। উল্লেখযোগ্য যে বৈদিক গণিত শাস্ত্ৰ আৰু জ্যামিতিক নক্সাৰে নিৰ্মিত ৰামযন্ত্ৰটোক যোগাত্মক শক্তিৰ প্ৰতীক বুলি গণ্য কৰা হয়।

ooooo

চৰকাৰে ঘৰুৱা পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ পি এন জি তথা সংহত প্ৰাকৃতিক গেছ চি এন জিৰ ১০০ শতাংশ যোগান নিশ্চিত কৰাৰ লগতে সমগ্ৰ দেশতে ইয়াৰ পৰিবহন সুনিশ্চিত কৰা হৈছে। পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত আজি অনুষ্ঠিত আন্তঃমন্ত্ৰালয়ৰ বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয় যে বিগত দুসপ্তাহৰ ভিতৰত প্ৰায় ১ লাখ ২৫ হাজাৰ ঘৰুৱা আৰু বাণিজ্যিক সংযোগ কৰা হৈছে। তেওঁ কয় যে যোৱা প্ৰায় তিনিটা দিনত ৫ হাজাৰ ৬০০তকৈও অধিক গ্ৰাহকে সফলতাৰে পি এন জিৰ সংযোগ কৰিছে। বাণিজ্যিক ৰন্ধন গেছৰ বিষয়ে উল্লেখ

কৰি যুটীয়া সচিবগৰাকীয়ে কয় যে ১৭খন ৰাজ্যৰ চৰকাৰলৈ ইয়াৰ অনুমোদনৰ নিৰ্দেশ দিয়াৰ লগতে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত বাণিজ্যিক ৰন্ধন গেছৰ যোগান ধৰা হৈছে। শ্ৰীমতী শৰ্মাই কয় যে কেন্দ্ৰই ৰাজ্য চৰকাৰসমূহলৈ পি এন জি নেটৱৰ্ক সম্প্ৰসাৰণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে আৰু ১০ শতাংশ অতিৰিক্ত বাণিজ্যিক ৰন্ধন গেছৰ যোগান ধৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। ৰন্ধন গেছৰ ক'লা বজাৰৰ কথা উল্লেখ কৰি যুটীয়া সচিবগৰাকীয়ে কয় যে চৰকাৰে সকলো ৰাজ্যলৈ অভিযোগ পঞ্জীয়ন কৰাৰ লগতে এই ধৰণৰ অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ আহ্বান জনাইছে। যুটীয়া সচিবগৰাকীয়ে কয় যে ৰন্ধন গেছৰ অনলাইন বুকিং ৯৪ শতাংশ বৃদ্ধি পাইছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ উপমহাদেশীয় যুটীয়া সচিব অসীম মহাজনে কয় যে যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰা প্ৰায় ২ লাখ ৮০ হাজাৰ যাত্ৰী উপ-মহাদেশীয় অঞ্চলসমূহৰ পৰা ভাৰতলৈ উভতি আহিছে। তেওঁ কয় যে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ আৰু ভাৰতৰ মাজত চলি থকা সীমিত সংখ্যক বিমানৰ জৰিয়তে যাত্ৰী পৰিবহনৰ কাম-কাজ চলাই থকা হৈছে। তেওঁ কয় যে সমাগত দিনবোৰত দম্মম বিমান বন্দৰৰ পৰা ভালেসংখ্যক বিশেষ বাণিজ্যিক বিমানৰ উৰণ আশা কৰা হৈছে। কুৱেইট, বাহৰেইন আৰু ইৰাকৰ পৰা বিমান সেৱাৰ বাধ্যবাধকতাৰ হেতু চৰকাৰে ভাৰতীয় নাগৰিকক জৰুৰীকালীন ক্ষেত্ৰত চৌদি আৰবিয়া হৈ যাত্ৰাৰ সুবিধা প্ৰদান কৰি আহিছে। তেওঁ লগতে জনায় যে ছাফিছয়া বিষ্ণু-ফিফ্‌টিন নামৰ ভাৰতীয় নৌ জাহাজৰ সদস্যসকলক ইৰাকত সুকলমে উদ্ধাৰ কৰা হৈছে আৰু তেওঁলোক দেশলৈ সোনকালেই উভতি আহিব পাৰিব বুলি আশা কৰা হৈছে। তেওঁ লগতে কয় যে চৰকাৰে তেওঁলোকৰ লগত যোগাযোগ অব্যাহত ৰাখিছে।

বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই কয় যে হৰমুজ প্ৰণালীকে ধৰি পাৰচ্য উপসাগৰত সকলো ভাৰতীয় জাহাজ সুৰক্ষিত হৈ আছে আৰু এতিয়ালৈ কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ বাতৰি অহা নাই। তেওঁ কয় যে জাহাজ পৰিবহন সঞ্চালকালয়ে জাহাজৰ স্বত্বাধিকাৰী, সংস্থা আৰু ভাৰতীয় মিছনৰ সৈতে সমন্বয় স্থাপন কৰি আহিছে। বিগত ২৪ ঘণ্টাত মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণ কক্ষই প্ৰায় ১৫০টা ফোন কল আৰু ২২৫টা ইমেইল গ্ৰহণ কৰিছে। এই সময়ছোৱাতেই সমন্বিত প্ৰচেষ্টাৰ মাজেৰে ১৬খন ভাৰতীয় জাহাজ উভতি আহিবলৈ সমৰ্থ হৈছে।

মন্ত্ৰালয়ৰ বিশেষ সচিব শ্ৰীসিনহাই লগতে কয় যে মন্ত্ৰালয়ে গুজৰাট, মহাৰাষ্ট্ৰ, গোৱা, কেৰালা, অন্ধ্ৰ প্ৰদেশ আৰু পুডুচেৰীত বন্দৰ আৰু সামুদ্ৰিক পৰিষদৰ সৈতে ঘনিষ্ঠ যোগাযোগ অব্যাহত ৰাখিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওমানৰ চুলতান হেইথম বিন তাৰিকৰ সৈতে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু ওমানে মধ্যপ্ৰাচ্যৰ শান্তি আৰু স্থিৰতা স্থাপনৰ বাবে উত্তেজনা প্ৰশমিত কৰিবলৈ আলোচনা আৰু কূটনৈতিক প্ৰচেষ্টাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ওমানৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ভাবুকি অনা শক্তিক ভাৰতে কঠোৰভাৱে গৰিহণা দিয়াৰ কথা উল্লেখ কৰে। শ্ৰীমোদীয়ে ভাৰতীয় লোকসকলকে ধৰি প্ৰায় এহেজাৰ লোকক সুৰক্ষিতভাৱে গৃহভূমিলৈ উভতি যোৱাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে বাৰ্তালপত মিলিত হয়। তেওঁ সমাগত হৰি ৰায়া ঈদিলফিট্ৰীৰ বাবেও মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ অশান্তজৰ্জৰ পৰিস্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰাৰ লগতে অঞ্চলটোত উত্তেজনা হ্ৰাস কৰি শান্তি আৰু স্থিৰতা স্থাপনৰ বাবে দুয়োখন দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে।

00000

অসমত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। ৬ গৰাকী মহিলা প্ৰাৰ্থীৰ নামৰ সৈতে প্ৰকাশিত এই তালিকাত বহু কেইগৰাকী বিধায়কৰ প্ৰাৰ্থিত্ব

কৰ্তন কৰা হৈছে। দলৰ সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত অনুষ্ঠিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ সিদ্ধান্ত অনুসৰি জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰীৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। লোকসভাৰ প্ৰাক্তন সাংসদ ডং ৰাজদীপ ৰয়ে শিলচৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰামেশ্বৰ তেলীয়ে দুলীয়াজানৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ সমান্তৰালকৈ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিব। বিজেপিত নতুনকৈ যোগদান কৰা প্ৰদ্যুৎ বৰদলৈক দিছপুৰ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

কংগ্ৰেছ দলে আজি তৃতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত মিত্ৰতা সন্দৰ্ভত আজি পুনৰ ডিব্ৰুগড়ত গৌৰৱ গগৈ আৰু অখিল গগৈৰ মাজত কেইবা ঘণ্টাজোৰা আলোচনা অনুষ্ঠিত হয় যদিও মিত্ৰতাৰ বিষয়টো আজিও অমীমাংসিত হৈ ৰয়। ইউ পি পি এলে আজি ৫ জন প্ৰাৰ্থীৰ নাম সম্বলিত তৃতীয়খন তালিকা প্ৰকাশ কৰে।

বি পি এফৰ প্ৰাৰ্থী তালিকাও আজি সন্ধিয়াৰ ভিতৰত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে অহা কেইবছৰৰ ভিতৰত ভাৰতৰ স্থানীয় ড্ৰোণ নিৰ্মাণৰ গোলকীয় বজাৰ হিচাপে গঢ়ি তোলাৰ বাবে ক্ষিপ্ৰভাৱে কাম কৰি যাব লাগিব। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় সামৰিক ঔদ্যোগিক সন্মিলনখনত উপস্থিত থাকি ভাষণ প্ৰসঙ্গত শ্ৰীসিঙে কয় যে দেশত বৰ্তমান ড্ৰোণ উৎপাদনৰ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ প্ৰয়োজন আহি পৰিছে আৰু বৰ্তমানৰ ভূৰাজনৈতিক অনিশ্চয়তাৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশক আত্মনিৰ্ভৰ হিচাপে গঢ়ি তোলাৰ এয়াই উত্তম সময়। মন্ত্ৰীগৰাকীয়ে লগতে ভাৰতৰ সামৰিক নিৰ্মাণ উদ্যোগৰ ক্ষেত্ৰখনত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ প্ৰয়োজনীয় স্তম্ভ হিচাপে বিবেচিত হোৱাৰ কথাও উল্লেখ কৰে। কৃত্ৰিম বুদ্ধিমত্তা, স্বয়ংক্ৰিয়কৰণ, ৰবটিক্স আৰু তেনে ধৰণৰ উন্নত মানৰ প্ৰযুক্তিসমূহ আগবঢ়াই নিয়াত এই উদ্যোগসমূহৰ প্ৰয়োজনীয়তাৰ কথাও তেওঁ উল্লেখ কৰে। তেওঁ লগতে বৰ্তমানৰ চৰকাৰখনে এটা উন্নত মানৰ সামৰিক ঔদ্যোগিক পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ প্ৰতি অংগীকাৰবদ্ধ বুলিও জানিবলৈ দিয়ে। তেওঁ জানিবলৈ দিয়ে যে এই পৰিৱেশতন্ত্ৰই অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ লগতে ষ্টাৰ্ট আপ আৰু নৱপ্ৰজন্মৰ বিনিয়োগকাৰীসকলক ভাৰতৰ সামৰিক ক্ষমতা বিকাশৰ ক্ষেত্ৰত প্ৰতিনিধিত্ব কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। সন্মিলনখনৰ উদ্বোধনী অনুষ্ঠানত শ্ৰীসিঙে ভাৰতৰ সামৰিক বাহিনী ষ্টাৰ্ট আপ চেলেঞ্জৰ চতুৰ্দশ সংস্কৰণ মুকলি কৰে আৰু লগতে আইডেক্স পৰিকাঠামোৰ অন্তৰ্গত অডিটি চেলেঞ্জৰ চতুৰ্থ সংস্কৰণৰ উদ্বোধন কৰে।

০০০০০

আৰ্জেণ্টিনাৰ তাৰকা ফুটবলাৰ লিঅ'নেল মেছিয়ে ৯০০টা গ'ল অতিক্ৰম কৰি খ্ৰীষ্টিয়ানো ৰোনাল্ডোৰ ২০২৪ বৰ্ষৰ অভিলেখ ভংগ কৰে। ফ্লৰিডাত অনুষ্ঠিত হোৱা কনকাকাফ চেম্পিয়নছ কাপৰ এখন খেলত লিঅ'নেল মেছিয়ে এই অভিলেখ গঢ়িবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ৯০০টা গ'ল দি বিশ্ব অভিলেখ গঢ়া খ্ৰীষ্টিয়ানো ৰোনাল্ডোৰ পাছতেই মেছিয়ে এই অভিলেখ গঢ়িবলৈ সক্ষম হয় আৰু ৭৬৫টা গ'লেৰে ব্ৰাজিলৰ তাৰকা ফুটবলাৰ পেলেই বৰ্তমান তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

সমাপ্ত